# উৰিবৰ সময়

ফ্ৰাউ ভিকীয়ে ক'লে, "হে'ৰ্ শ্বালিআ, আপোনাক বিচাৰি এজন ল'ৰা আহিছিল, আধা ঘণ্টামান আপোনাৰ ৰুমত ৰৈ আছিল।" ফ্ৰাউ ভিকীয়ে এপ্ৰনৰ ভিতৰৰপৰা কাগজৰ পেড এটা উলিয়ালে আৰু ৰঙা, ভোটা নাকটোত চছ্‌মাযোৰ ঠিক কৰি লৈ তাৰ ভিতৰেৰে জুমি-জুমি চালে, "নামটো লিখি ৰাখিছোঁ, কথাবোৰ পাহৰি যাওঁ আজিকালি, বুঢ়ীও হ'লোঁ নহয়—অ, এয়া, পাইছোঁ। হে'ৰ্ ভূড্।"

"ভূড্!"

"আমেৰিকান। পাতলকৈ, দীঘলকৈ, ধুনীয়াকৈ। এটা আঁচ-আঁচ দিয়া নীলা চুট পিন্ধি আহিছিল—পিছে চুটযোৰ ল'ৰাটোৰ গাত অলপ চুটি হয়।"

অৰ্থাৎ ডিক্ আহিছিল। ৰিছাৰ্ড বি. উড্। ইংৰাজী 'ডব্লিউ' আখৰটো জাৰ্মানত 'ভি' আৰু শব্দৰ শেষত 'ডি' থাকিলে তাৰ উচ্চাৰণ 'টি'ৰদৰেও, গতিকে ফ্ৰাউ ভিকীক দোষ দিব নোৱাৰিলোঁ।

"অ", মই ক'লোঁ, "বুজিছোঁ। কিবা কৈ গৈছে?"

ফ্ৰাউ ভিকীয়ে ক'লে যে তাক হেনো মই এটা ৰুম যোগাৰ কৰি দিম বুলি কৈছিলোঁ, যি মোক বিচাৰি ফুৰিছে। চহৰৰ একেবাৰে শেষ মূৰত হাইন্‌বাৰ্গ্ বনানীখনৰ কাষত সি সম্প্ৰতি আছে, সি ঘৰটো সলাব খুজিছে। ইমান ধুনীয়া অঞ্চল, আৰু এতিয়া বসন্তকাল, বনানীখন কি মনোমোহা হৈছে, সেই অঞ্চলটো এৰি চহৰৰ মাজলৈ আহিবলৈ বাৰু তাক কিহে পাইছে? ফ্ৰাউ ভিকী অৱশ্যেই আচৰিত হ'ব, মই ভাবিলোঁ, কিন্তু ডিকৰ মনোবৃত্তি মই জানো। সি ব্যস্ত চহৰৰ ল'ৰা।

"ল'ৰাটোৰ মুখখন একেবাৰে মৰা-মৰা। প্ৰথম-প্ৰথম আহি বিদেশী ল'ৰাবোৰৰ প্ৰায়বোৰৰেই এনেকুৱা হয়।" ফ্ৰাউ ভিকীৰ নিজৰ অভিজ্ঞতা। "কাকো চিনি-জানিও নাপায় হ'বলা ইয়াত। তাতে ইয়ালৈ আহি হেনো গম পাইছে, যিজন প্ৰফেছৰৰ তলত কাম কৰিব খুজিছিল তেওঁ অহা ছেমেষ্টাৰ ইয়াত নাথাকেই, তেওঁ হেনো কি কৰিব ঠিক কৰিব পৰা নাই। অ, মই তেওঁৰ মুখখন দেখিয়েই গম পাইছোঁ এয়া আহিল এক পেখ্‌ফগে'ল্ (দুৰ্গতি-চৰাই)।"

অৰ্থাৎ যাৰ পদে-পদে বিভ্ৰাট। কথাটো সঁচা। সি বন্ধৰ ভিতৰতে আহি চহৰত উপস্থিত হৈছে, ভাবিছিল ভৰ্তি হোৱাৰ আগে-আগে ভালকৈ জাৰ্মান শিকি ল'বা। এৰিজনাৰপৰা ডিগ্ৰী এটা লৈ আহিছে, প্ৰঃ মাৰ্কুচৰ তলত ডক্টৰেট কৰাৰ আকাংক্ষা। সঠিক খবৰ-বাতৰি নোলোৱাকৈয়ে আগে-আগে আহি পৰিছে, আহি গম পাইছে প্ৰঃ মাৰ্কুচ অহা ছেমেষ্টাৰত ম্যুন্‌ষ্টাৰ্ বিশ্ববিদ্যালয়লৈ যাব। তাৰ পিছৰ ছেমেষ্টাৰতো আহিব নে নাহে কোনো ঠিক নাই। (প্ৰঃ মাৰ্কুচক ল'ৰাবোৰে নাম দিছে 'ভাণ্ডাৰ্‌ফগে'ল' অৰ্থাৎ ভ্ৰাম্যমাণ পক্ষী—আজি জাৰ্মানী, কালি আমেৰিকা, পৰহি জাপান বা উত্তৰ মেৰু।)

ছেমেষ্টাৰ আৰম্ভ হ'বলৈ এতিয়াও এমাহ। বাহিৰৰ ল'ৰা-ছোৱালীবোৰ ঘৰলৈ গৈছে, স্থানীয়বোৰ বাহিৰলৈ গৈছে। সৰু বিশ্ববিদ্যালয়ৰ চহৰখনৰ ৰাস্তাত ছাত্ৰ-ছাত্ৰীৰ ব্যস্ত অহা-যোৱা নাই। মে'ন্‌জাৰ (ছাত্ৰ-কেণ্টিনৰ) আধা টেবুল শূন্য।

"মোৰ দুখেই লাগিল।"

মই প্ৰমাদ গণিলোঁ। ফ্ৰাউ ভিকীয়ে চছমাযোৰৰ ভিতৰেৰে পিৰিক-পাৰাককৈ চালে মোৰ পিনে, তাৰপাছত ক'লে যে এনেদৰে আচহুৱা চহৰত অকলে আমন-জিমনকৈ ঘূৰি ফুৰাটো বৰ হৃদয়বিদাৰক কথা, আবেলি ডিকক আহিব কৈছে। আবেলি গীজেলা আহিব (অৰ্থাৎ ফ্ৰাউ হেগেমান্) আৰু ফ্ৰলাইন ভেৎচি'গ্—

অৰ্থাৎ, যি ভয় কৰিছিলোঁ সেয়ে। এই মহিলাসকল ফ্ৰাউ ভিকীৰ লগৰী, তিনিও প্ৰায় সমবয়সীয়া বৃদ্ধা।

বেচেৰা নতুন মাৰ্কিন ল'ৰা, ঘৰৰপৰা, আত্মীয়-স্বজনৰপৰা ইমান আঁতৰত—তেওঁলোকে তাৰ নিঃসংগতা আঁতৰাবলৈ চেষ্টা কৰিব। তেওঁলোকে ডিকক তাৰ ঘৰৰ কথা সুধিব, এই চহৰৰ কথা ক'ব, কফি আৰু ক্ৰীম বা চীজৰ কে'ক খুৱাব আৰু তেওঁলোকৰ গান শুনিবলৈ বাধ্য কৰিব। ফ্ৰাউ ভিকীৰ ৰুমটোত সোমালে নিঃশ্বাস বন্ধ হৈ যোৱাৰ উপক্ৰম হয়, কৌচ আৰু টেবুল আৰু আলমাৰীৰে প্ৰতি বৰ্গ মিটাৰ ঠাহ খোৱা, নানা পৰিয়ালৰ নানা আকৃতিৰ প্ৰাচীন ফট'গ্ৰাফ, সাতামপুৰুষীয়া এপল' আৰু ভেনাচ আৰু কুমাৰী মেৰী আৰু কিবাকিবিৰ সৰু-সৰু মূৰ্তি, চামৰা-মোড়া বাইবেল আৰু স্তৱকপুথি আৰু জপৰ মালা, ইপিনে-সিপিনে চিলাইৰ কাম আৰু উলৰ গুলি, এটা চৰাইৰ বাহ, আৰু চিমনিৰ সন্মুখৰ ৰাগখনত কোঁচমোচ খাই থকা এটা মেকুৰী পৰ্যন্ত। আৰু এচুকত এটা মান্ধাতাৰ দিনৰ বেসুৰা পিয়ান'। প্ৰথম-প্ৰথম 'নিঃসংগ' থকা সময়ত মোৰ যি অৱস্থা হৈছিল, আজি ৰিছাৰ্ড বি. ভুডৰ সেই অৱস্থা হ'ব। বহিলে পাতাললৈ সোমাই যোৱা চোফা এখনত তাক এই মৰমিয়াল বৃদ্ধাসকলে ঠেলি দিব, আৰু তাৰ হাতত কফিৰ কাপ আৰু কে'কৰ প্লেট এখন দি অবিশ্ৰান্তভাৱে কথা কৈ যাব। তাৰপাছত ফ্ৰাউ হেগেমান্ আৰু প্ৰলাইন ভেৎচি'গে গলা খুলি উদাত্তকণ্ঠে কিবা গান গাব, লগে-লগে ফ্ৰাউ ভিকীয়ে চছমাযোৰৰ ভিতৰেৰে জুমি-জুমি স্বৰলিপিখন চাই পিয়ান'ত টুং-টুং কৰিব (অৱশ্যে পিয়ান'টোৰ মাত ইমানদিনে আৰু টুং-টুং হৈ থকা নাই, এতিয়া তাৰ মাত ধং-ধং)।

ফ্ৰাউ ভিকীয়ে ক'লে যে ফ্ৰাউ হেগেমানৰ ঘৰত এটা ৰুম খালি হ'ব—এটা ইৰাকী ল'ৰা এই সপ্তাহতে গুচি যাব—হে'ৰ্ ভূড আহিলে তাৰ সেইপিনৰপৰাও লাভ হ'ব। তিনিওগৰাকী বৃদ্ধাই ঘৰ ভাৰা দিয়ে—যাক কয় লেণ্ডলেডী—দুই ফ্ৰাউ বিধবা (ফ্ৰলাইন ভে'ৎচিগৰ বিয়াই নহ'ল)। মই ভাবিলোঁ যে আজি ডিকৰ ভাগ্যত এটা 'অভিজ্ঞতা' আছে। ফ্ৰাউ ভিকীয়ে এটা সন্তুষ্টিৰ ভংগীৰে মূৰটো জোঁকাৰিলে, মোৰ ধাৰণা হ'ল চছমাযোৰ নাকৰপৰা পৰি যাব। চছমাযোৰো একেবাৰে মহাৰাণী ভিক্টৰীয়াৰে দিনৰ, কাঁচ দুখন গোল, ফ্ৰাউ ভিকীৰ কাণৰ ওপৰত আৰু নাকৰ আগটোত বিপজ্জনক ভংগীত অলৌকিকভাৱে ওলমি থাকে। সদায় আশা কৰোঁ এইমাত্ৰ চছমাযোৰ খুলি পৰিব, কিন্তু পৰোঁ-পৰোঁ হৈ শেষ মুহূৰ্তত সদায় আকৌ কিবাকৈ নাকত লাগি ধৰে। আজিও মই নিৰাশ হ'লোঁ, চছমাযোৰ যথাস্থানতেই থাকি গ'ল।

এই চহৰত ভৰি দিয়াৰপৰা ডিকৰ জীৱনৰ কৰুণ কাহিনী আৰম্ভ হৈছে। প্ৰথমেই শুনিলে, প্ৰঃ মাৰ্কুচ্ উধাও। তাৰপাছত শুনিলে, আটাইকেইটা মাৰ্কিন ল'ৰা বাহিৰলৈ গৈছে—দুটা অৱশ্যে ইতিমধ্যে উভতি আহিছে, কিন্তু সিহঁতৰ লগত তাৰ ঠিক জমা নাই। ঘৰ পোৱাৰ অসুবিধা। বিদেশী ছাত্ৰৰ দপ্তৰৰপৰা অৱশেষত তাক এটা ঘৰ যোগাৰ কৰি দিলে হাইন্‌বাৰ্গ্ বনানীৰ কাষত, য'ৰ প্ৰাকৃতিক সৌন্দৰ্যৰপৰা পলায়ন কৰিবলৈ সি এতিয়া অধৈৰ্য। বিদেশী ছাত্ৰৰ দপ্তৰৰপৰাই বোধকৰোঁ ঠিকনা লৈ দুদিন পাছতে এহাল ল'ৰা-ছোৱালী তাৰ ঘৰ ওলালগৈ, সিহঁত 'কেথলিক ছাত্ৰ-সংস্থা'ৰ কৰ্মী। "এই বিশ্ববিদ্যালয় চহৰখনত বিদেশী ছাত্ৰ-ছাত্ৰীৰ অৱস্থান তৃপ্তিকৰ, মসৃণ আৰু নিঃসংগতাৰপৰা মুক্ত কৰিবলৈ" সিহঁত ইচ্ছুক। সিহঁতে ৰিচাৰ্ডক সিহঁতৰ 'আলোচনা-সন্ধ্যা'লৈ লৈ গ'ল, য'ত সিহঁতে 'পাৰমাণবিক পৃথিৱীত বিশ্বাসৰ স্থান' সম্বন্ধে বিতৰ্ক কৰিলে। ইজিপ্তৰপৰা ঘূৰি অহা ভদ্ৰমহিলা এগৰাকীয়ে লেন্টাৰ্ন-স্লাইডৰ যোগেদি ইজিপ্তত নাৰীৰ স্থান সম্বন্ধে এটা বক্তৃতা দিলে ('ফাৰাঅ'ৰ দিনৰপৰা আজিলৈ'); আৰু সকলোৰে মিলি ফিকা চাহ আৰু বিস্কুট খালে।

সন্ধিয়াটো কটোৱাৰ বিষয়ে তাৰ হেনো অলপ অন্য ৰকম ইচ্ছা আছিল, সি আৰু দ্বিতীয়বাৰ...একপিনৰপৰা সেইটো এটা আপচোচৰেই কথা হ'ল, কিয়নো 'কেথলিক ছাত্ৰসংস্থা'ৰ কেইবাজনো ল'ৰা-ছোৱালীয়ে হেনো তাক জাৰ্মান আৰু ফৰাচী শিকাই দিবলৈ (মাকে তাক কৈ পঠিয়াইছে ইউৰোপলৈ গৈ যেন ফৰাচী নিশিকাকৈ নাহে) আগ্ৰহ প্ৰকাশ কৰিছিল, সম্পূৰ্ণ বিনা খৰচত—সেইটো আৰু নহ'ল।

তাৰ পৰিৱৰ্তে ভাগ্যৰ কুটিল চক্ৰই নি তাক পেলাই দিলে অইন এটা দলৰ হাতত, যাৰ নাম 'নাটু'ৰফ্ৰয়ণ্ডক্ৰাইজ্' অৰ্থাৎ 'প্ৰকৃতি-বান্ধৱ-চক্ৰ'। সিহঁতৰ উদ্দেশ্যেও কেথলিকসকলৰদৰেই, যদিও প্ৰধান উদ্দেশ্য হ'ল প্ৰকৃতিৰ বিচিত্ৰ, আশ্চৰ্য সৌন্দৰ্য জগতৰ প্ৰতি আজিৰ বস্তুবাদী মানুহৰ মন উন্মীলিত কৰা, ইত্যাদি-ইত্যাদি। সিহঁতৰ ক্লাবত ক্ষীণ, চছমাৱালা এজন স্থানীয় সংগীতশিক্ষকে 'জাৰ্মান বনানীৰ প্ৰকৃত অনুভূতি'ৰ বিষয়ে এটা কথিকা দিলে আৰু গ্ৰামোফ'ন ৰেকৰ্ড যোগে ভে'বাৰৰ অপেৰা 'ফ্ৰাইশ্যুৎচ্'(তীৰন্দাজ)ৰপৰা অংশবিশেষ বজালে, য'ত হেনো জাৰ্মান বনানীৰ আবহাৱা মূৰ্ত হৈ উঠিছে ('য'ত এসোপা পেঁপা ভো-ভোকৈ বাজে, ***you know***)। এটা 'আউচফ্লুগ্' বা বহিৰ্গমনৰ আলোচনা চলিল, বিখ্যাত ল্যুনেবুৰ্গ্-পথাৰলৈ। অৱশ্যম্ভাৱী লেন্টাৰ্নস্লাইডকেইখনো অৱশ্যেই বাদ নগ'ল, কোনোবাই 'ল্যুনেবুৰ্গাৰ্ হাইডে'ৰ ৰঙীন ছবিকেইখনমান পৰ্দাত পেলালে, সকলোৰে উচ্ছ্বসিত কণ্ঠে কৈ উঠিল, "ভী শ্যু'ন্" (কি ধুনীয়া)! দৃশ্যবোৰ বোলে ডিকৰ আৰিজনাৰ মৰুভূমি যেনহে লাগিল, কিন্তু সিও ক'লে, "শ্যু'ন্, শ্যু'ন্"। তাৰপাছত সকলোৰে মিলি অবশ্যম্ভাৱী ফিকা চাহ আৰু বিস্কুট খালে—আৰু ডিকে হৃদয়ংগম

কৰিলে যে সি প্ৰকৃতি-বান্ধৱ নহয়, তাৰ আৰু ইয়ালৈ অহাৰ দৰ্কাৰ নাই।

ৰাতিপুৱা খিৰিকিৰ কাৰ্নিচত কিছুমান ('চিলি লুকিং') চৰাইৰ কিচিৰ-মিচিৰে তাৰ টোপনি ভাঙি দিয়ে। লেণ্ড লেডীয়ে কয়, "আপোনাৰ খিৰিকিৰে হাইন্‌বাৰ্গৰ দৃশ্য অপূৰ্ব, নহয় নে হে'ৰ ভূড্?"

"অপূৰ্ব, ভুণ্ডাৰ্‌বাৰ্", ডিকে কয়।

("এসোপা চিলি লুকিং গছ আৰু জংগল, ***you know***, পাইন আৰু ফাৰ্ আৰু অ'ক্, ওৰে ৰাতি সেইবোৰৰ মাজেৰে হু-হুকৈ বতাহ মাৰে লাইক্ মেড্-গে'ট্‌চ্ অন মাই নাৰ্ভচ্, ইউ ন'।")

"আঃ, ***die Natur***! ***die Natur***! ৰাতিপুৱা শুই উঠি যেতিয়া আপোনাৰ কাণত পৰে বাহিৰত! প্ৰভাত-পখীৰ গান, দেহ-মন কেনেকুৱা তাজা-টাট্‌কা লাগে, নহয় নে হে'ৰ্ ভূড্?"

গাৰুৰ তলত এটা পিস্তল থকাহেঁতেন প্ৰভাত-পখীকেইটাক সি...আৰু সাধাৰণতে (বিশেষকৈ নতুন চোলা এটা পিন্ধি ওলালে) সিহঁতে ওপৰৰপৰা নিতান্ত অনাহূত বস্তু কিছুমান গাৰৈ বোমাবৰ্ষণ কৰে, কিন্তু এই চহৰত ঘৰৰ টনাটনি, সি কয়, "সঁচাই!", আৰু নিজকে নিজে গালি পাৰে।

ঘৰটোৰপৰা নিকটতম বাছ ষ্টপটোলৈ কুৰি মিনিট খোজ কাঢ়িব লাগে। সি চহৰলৈ যায় আৰু চহৰখনৰ ঠেক্, কব্‌ল্ দিয়া ৰাস্তাবোৰেৰে অকলে-অকলে ঘূৰে। এদিন দেখিলে এটা সংকীৰ্ণ গলিৰ মাজৰ সৰু দোকান এখনত ইংৰাজী কিতাপ-কাগজ বিক্ৰী হয়, দোকানৰ খিৰিকিত 'লাইফ্' আৰু 'টাইম' আৰু 'ৰিডাৰ্চ ডাইজে'ষ্ট',—সি সোমাই গ'ল। মই আৰু মোৰ সহকৰ্মী হে'ৰ্ ভাল্টাৰ্ (আমি চহৰৰ ইস্কুল এখনত যথাক্ৰমে ইংৰাজী আৰু ভূগোল পঢ়াওঁ) দোকানৰ তেতিয়া কিতাপ চাই আছিলোঁ। ভাগ্যচক্ৰই ডিকক আমাৰ হাতত পেলাই দিলে।

আমি তাক হে'ৰ্ নভাকৰ দোকানলৈ লৈ গ'লোঁ, য'ত আমি নিয়মিত দুপৰীয়া (আৰু কেতিয়াবা ৰাতিও) খাওঁ। হে'ৰ্ নভাকৰ লগত আমাৰ সম্বন্ধ এতিয়া আৰু দোকানী বনাম গ্ৰাহক নহয়। প্ৰায়ে কাষত বহে, ছাত্ৰ-ছাত্ৰীসকলৰ মুখত শুনা হাস্যৰসবোৰ আমাক শুনায় আৰু হো-হোকৈ হাঁহে—কেতিয়াবা পাহৰি গৈ আমাৰ মুখত শুনা কাহিনীকেই আমাক শুনায়, আমি সোঁৱৰাই নিদিওঁ। বিপত্নীক মানুহ। মস্ত শৰীৰ, এখন ভৰি কাঠৰ (যুদ্ধলৈ গৈছিল), মূৰটো ওখ (প্ৰকাণ্ড এটা হাঁহৰ কণীৰদৰে)।

দোকানৰ বাহিৰত ৰৈ ডিকে নামটো পঢ়িলে ঃ "***Zum Alten Fink.***"

ফিঙ্ক্ চৰাইটো ঠিক শালিকা নহয়, কিন্তু মোটামুটি নামটো তৰ্জমা কৰিলে হয়গৈ ঃ "বুঢ়া শালিকা ভোজনালয়।"

ডিকে দীৰ্ঘনিশ্বাস পেলালে।

মোৰ আৰু হে'ৰ্ ভাল্টাৰৰ সন্মুখত বীয়াৰৰ গিলাচ জমি উঠে, ডিকে মাত্ৰ একাপ কফি খায়, সি এনেকি আমাৰ চিগাৰেটৰ ধোঁৱাও সহ্য কৰিব নোৱাৰে। হে'ৰ্ ন'ভাক কাষতে আহি বহে আৰু ডিম্বাকৃতি মূৰটো আন্দোলিত কৰি কয়, "আখ্ ইয়া, হে'ৰ্ ভূড্, আপুনিও আৰু সঁচাকৈয়ে বৰ মন মাৰি থাকে...যি হওক, আৰু বেছিদিন নাই, ছেমেষ্টাৰ আৰম্ভ হ'বই সোনকালে, আপোনাৰ নিশ্চয় কিবা এটা হেস্তনেস্ত হৈ যাব..."

হে'ৰ নভাকে অলপ আপচোচেৰে ইপিনে সিপিনে চায়। বন্ধৰ মাহ, দোকান প্ৰায় শূন্য। দুই-এটি ল'ৰা-ছোৱালী ইপিনে-সিপিনে সিঁচৰতি হৈ নিঃশব্দে খাইছে। ছেমেষ্টাৰৰ সময়ত ইয়াত দুপৰীয়া বহিবলৈ ঠাই পোৱা দুৰূহ হৈ পৰে।

"বাৰু কওকচোন, আমেৰিকাত বোলে কাৰখানাৰ বনুৱাৰো একোখন ফৰ্ড্ গাড়ী থাকে..."

ডিকে দুই-এটা বিক্ষিপ্ত শব্দেৰে সংক্ষেপে হে'ৰ্ নভাকৰ কৌতূহল নিবৃত্ত কৰে। কোনোবাই কিবা সুধিলে প্ৰতিবাৰ বিব্ৰত হৈ পৰে, অনিশ্চয়ভাৱে উত্তৰ দিব আৰম্ভ কৰে, কেতিয়াবা আধাআধি কৈ ৰৈ যায়। ফ্ৰাউ ভিকীৰ ভাষাত ঃ এটা পেখ্‌ফগে'ল, এটা দুৰ্গতি-চৰাই। দুই-এদিন চেষ্টা কৰি চাইছোঁ তাক নাচলৈ নিবলৈ—হয়তো তাৰপৰাই ঘটনাৱলীৰ উন্নতি হ'ব—সি কৈছে যে সি নাচিব নাজানে। এটা অকালকুষ্মাণ্ড। কিন্তু ইতিমধ্যেই আমি বুজি পাইছোঁ যে সি থিয়েটাৰৰ ষ্টেজত দেখা যোৱা আমেৰিকান নহয়। সি চ্ছিৱিং-গাম্ চোবাই নাথাকে, শিঙৰ ফ্ৰে'মৰ চছমাও নিপিন্ধে, '***gosh***!'-ও নকয়, '***gee***!'-ও নকয়।

হে'ৰ্ ভাল্টাৰ ফট'গ্ৰাফীৰ উৎসাহী, তেওঁ কিছুমান ফট' উলিয়ায়। মানুহৰ মূৰ আৰু প্ৰাকৃতিক দৃশ্যাৱলী। হে'ৰ্ নভাকে ডাঙৰ-ডাঙৰ চকু মেলি চায় আৰু কয়, "শ্ব্য'ন্, শ্ব্য'ন্ ভুণ্ডাৰ্‌বাৰ!"

"মই সদায় চাওঁ, যেন মোৰ ছবিত কেতিয়াও প্ৰকৃতি বিকৃত নহয়", হে'ৰ্ ভাল্টাৰে কয়। ডিকে এটা হামি চেপে আৰু মূৰ জোঁকাৰে।

মাজে-মাজে মধ্যাহ্ন ভোজন কৰিবলৈ ফ্ৰলাইন ভিলিগে' আহে, আমাৰ ইস্কুলৰ জাৰ্মান ব্যায়ামৰ শিক্ষয়িত্ৰী। শকত শৰীৰ, ধূসৰ সাজ, ফ্লেট হিলৰ জোতা, এটা প্ৰকাণ্ড খোপা, এযোৰ সেউজীয়া গগল্‌চ্ পিন্ধে, পৰাপক্ষত নাহাঁহে। আমাক দেখিলে আমাৰ টেবুলত আহি বহে। হে'ৰ্ নভাকে হাস্যৰস বন্ধ কৰে আৰু লাহেকৈ উঠি গৈ কাউন্টাৰত বীয়াৰ বাকিব ধৰে—সন্দেহ হয়, হয়তো ফ্ৰলাইন ভিলিগে' হে'ৰ্ নভাকৰেই মাষ্টৰনী আছিল কোনোবা

কালত। হে'ৰ্ ভাল্টাৰে তেওঁৰ ফট্'বোৰ সামৰে। ডিক্ কোঁচমোচ খাই বহি থাকে। ফ্ৰলাইন ভিলিগে'ই প্ৰণালীবদ্ধভাৱে মটৰগুটিৰ চুপ আৰু আলুভজাৰে বক্‌ভুৰ্ষ্ট খায় আৰু সোধে ডিকৰ জাৰ্মান কিমানখিনি আগবাঢ়িল।

"মোটামুটি বুজিব পৰা হৈ আহিছোঁ, ধন্যবাদ", অলপ অপৰাধীৰদৰে ডিকে কয়। ফ্ৰলাইন ভিলিগে' ঠিক আশ্বস্ত নহয়।

মই কওঁ, "তাৰ মাকে কিন্তু প্ৰতিখন চিঠিতে ফৰাচী শিকাৰ কি কৰিছে তাকেহে সোধে—"

ফ্ৰলাইন ভিলিগে'ই নিখুঁতভাৱে সমান-সমানকৈ ভুৰ্ষ্ট কাটে আৰু কয় যে তেওঁৰ ধাৰণা, এটা ভাষা ভালকৈ আয়ত্ত কৰি লৈহে আন এটা ভাষাত হাত দিয়া উচিত। বিশেষকৈ যিটো ভাষা ইয়াত সদায় লাগি থাকিব। (ডিকে সন্মতি জনায়।) প্ৰণালীমতে আগুৱাব লাগে। প্ৰথমতে গয়েথেত হাত দিব নালাগে। সৰু-সৰু বাক্যৰপৰা ক্ৰমে ওপৰলৈ উঠিব লাগে। (আমি মূৰ দুপিয়াওঁ।) হে'ৰ্ উডে জাৰ্মান শিকোৱা মাষ্টৰ পালেনে নাই পোৱা? বাৰু, আৰু কেইদিনমান যাওক, তাৰপাছত তেওঁ হে'ৰ্ উডক এজনী ভাল শিক্ষয়িত্ৰীৰ হাতত শোধাই দিব পাৰিব। তেওঁৰ লগতে একে ঘৰতে থাকে, তেওঁৰ কাষৰ ৰুমটোত। লিনেট্ ক্ৰাউচ্—কেনেকৈ যে তাই ইংৰাজী নাম এটা পালে!—তাইক হেনো আজৰি সময়ত টিউচনী এটা লাগে। হে'ৰ্ উডৰ লগত একে ফেকাল্টিৰে, লগ পাবই। এতিয়া বন্ধত চুইজাৰলেণ্ডলৈ গৈছে, লজানত ঘৰ। অৱশ্যে লজানত মানুহবোৰে ফৰাচী কয়। কিন্তু লিনেটে জাৰ্মান আয়ত্ত কৰিছে বঢ়িয়া। চোকা ছোৱালী। অ, লিনেট আহক, তেতিয়া বেছ প্ৰণালীবদ্ধভাৱে—

(লিনেট্ জানো এটা চৰাইৰ নাম নহয়? মাতটো মিঠা?)

ফ্ৰলাইন ভিলিগে'ই অৱশেষত প্ৰস্থান কৰে আৰু হে'ৰ্ নভাক্ আকৌ আহি আমাৰ কাষত বহে। হে'ৰ্ ভাল্টাৰে পুনৰ ফট'বোৰ উলিয়াই আনে।

"...সেইদিনা ভাগ্যক্ৰমে ভাল ৰ'দ আছিল। এয়া জীলাৰ্‌টাল্ গীৰ্জাৰ ওপৰৰপৰা ভে'জাৰ্ নদীৰ দৃশ্য"—হে'ৰ্ ভাল্টাৰে কয়।

ডিকে ভদ্ৰতাৰ খাতিৰত এবাৰ চায়, আৰু কয় "অ, ভাল হৈছে।"

"আৰু এয়া নদীৰ পাৰত এটি অকণমানি অকলশৰীয়া ভায়লেট ফুল—"

"শ্ব্যু'ন্", হে'ৰ্ নভাকে কয়।

"অ, ভাল হৈছে", ডিকে নিস্পৃহভাৱে কয়, "ফট'ৰ পিছপিনে এই দুই লাইন কিহৰ উদ্ধৃতি?"

"আঃ", মিথ্যা বিনয়েৰে হে'ৰ্ ভাল্টাৰে কয়, "হঠাৎ মনত খেলালে, এই দুশাৰী কবিতা ফট'খনৰ লগত বেছ খাপ খায়। জানিব পাৰে হয়তো, Das Veilchen (অকণমানি ভায়'লেট্ ফুল)—"

"এতিয়াও নাজানো", অৱশেষত ডিকে ভদ্ৰতাৰ মুখাখন খুলি থয়। "কিন্তু ইয়াত আৰু কিছুদিন থাকিলে হাড়ে-হাড়ে জানিম।"

"গয়েথেই লিখিছে", মই নিৰ্ভয়ে যোগ দিওঁ।

"অ', that guy গ্যেটে!", ডিকে কয়।

"হে'ৰ্ উড্ আৰিজনাৰপৰা আহিছে", মই বুজাই দিওঁ, "শুকান মৰুভূমিৰ দেশ।"

হে'ৰ্ ভাল্টাৰেও অৱশেষত প্ৰস্থান কৰে। বীয়াৰ্ খাই বহি থাকিবৰ তেওঁৰ সময় নাই, ফট' কিছুমান ডেভেলপ কৰিব লাগে। ডিক উঠি নাযায়। মোৰ লগত তাৰ মতি-গতিৰ কোনো মিল নাই, কিন্তু সি মোৰ লগতেই বহি থাকে। (কথাটো অলপ আচৰিত, কিন্তু সকলোৱে জানে, মোতকৈ বহু আগেয়ে শ্বেইক্সপীয়েৰে কথাটো কেতিয়াবাই বঢ়িয়াকৈ বুজাই দি গৈছে।) হে'ৰ্ নভাকে ডিম্বাকৃতি মূৰটো পিছপিনে আঁউজাই দি বহে আৰু কৌতুকেৰে আমাৰ দুয়োৰে পিনে চায়। ডিকৰ মুখত যি এটা বিব্ৰত, বিপন্ন ভাব ফুটি উঠে, তাৰপৰা বুজা যায় যে হে'ৰ্ ন'ভাক্ আৰু এটা ঘৃণে ধৰা হাস্যৰস কৰিবলৈ উদ্যত হৈছে।

"আখ্ ইয়া, হে'ৰ্ ভাল্টাৰ্ সঁচাকৈয়ে বৰ মজাৰ মানুহ। সেইদিনা কৈছিলে, মোৰ দোকানলৈ আহিলে তেওঁৰ বোলে প্ৰায়ে তেওঁৰ বন্ধু এজনৰ কথা মনত পৰে, এজন কোনোবা হেৰ্ ফগে'ল (চৰাই)। হে'ৰ্ ফগে'লক বিচাৰি এদিন তেওঁ তেওঁৰ ঠিকনালৈ গ'ল। গিৰিহঁতনীয়ে সুধিলে, 'কাক বিচাৰিছে?' হে'ৰ্ ভাল্টাৰে ক'লে, 'ইয়াত এক ফগে'ল থাকেনে?' গিৰিহঁতনীয়ে ক'লে, 'হয়, তেওঁৰ নাম ফিংক্।' হাঃ-হাঃ-হাঃ—"

"হা-হা-হা", মই ক'লোঁ আৰু ডিকৰ পিনে চালোঁ।

"হা-হা", লৰালৰিকৈ ডিকে ক'লে। মোৰ ধাৰণা হ'ল, হে'ৰ্ নভাৰক মস্ত ডিম্বাকৃতি মূৰটোৰে এটা ওমলেট বনোৱা সম্ভৱ হ'লে সি কেতিয়াবাই সেইটো কৰি লেঠা মাৰি পেলালেহেঁতেন।

'বুঢ়া শালিকা'ত মানুহ কমি আহে। পৰিচাৰিকা দুজনীয়ে বগা এপ্ৰন দুখন খুলি থয় আৰু যাবলৈ সাজু হৈ চকী-মেজবোৰ ঝাৰি যায়, দোকান বন্ধ কৰিবৰ সময় হৈ আহে। মই দোকানৰ গোটেইকেইখন খবৰৰ কাগজ পঢ়ি শেষ কৰোঁ। ডিকে ঘৰলৈ চিঠি লিখে আৰু দৈত্যাকাৰ হামি কাঢ়ে।

আৰু, আজি, ফ্ৰাউ ভিকীৰ কথাই মোক চিন্তিত কৰি তুলিলে। সংগীতৰ লগত ডিকৰ সম্বন্ধ কি জানো, তাক সতৰ্ক কৰি দিয়াটো বন্ধুৰ কৰ্তব্য নহয় নে? অৱশ্যে সি চল্লিছ মাৰ্কতে চহৰৰ মাজত এটা ৰুম পোৱাৰ আশা— গতিকে বোধকৰোঁ সকলো বিপদ সত্ত্বেও সি আহিবই। 'বুঢ়া শালিকা'লৈ ঢাপলি মেলিলোঁ। দুৱাৰৰ কাঁচৰ মাজেৰে দেখিলোঁ আমাৰ টেবুলত অচিনাকি ছোৱালী এজনী বহি আছে, গোল ঝলমল মুখ, স্কুলীয়া ছোৱালীৰদৰে দুডাল দীঘল সোণালী বেণী, মাজে-মাজে মিচিকিয়াই হাঁহি উঠিছে, ইঁহাৰ লগে-লগে গাল দুখনত টোল পৰিছে। ডিকতকৈ দুই-এবছৰমানৰ সৰু হ'ব বুলি অনুমান কৰিলোঁ। ফ্লাইন ভিলিগে'ই নীৰৱে ভূৰ্ষ্ট কাটিছে, হে'ৰ্ ভাল্টাৰে বীয়াৰৰ গিলাচটো হাতত লৈ ছোৱালীজনীৰ কথা শুনিছে, ডিকে প্ৰায় হতভম্বৰদৰে চাই আছে, তাৰ মুখৰ বিব্ৰত ভাবটো দহগুণ বিবৰ্ধিত। ফ্ললাইন ভিলিগে'ই পৰিচয় কৰাই দিলে। লজানৰপৰা লিনেট্ ক্ৰাউচ্।

"বন্ধ ভালদৰে কাটিল, আশা কৰোঁ...।" এটা স্বস্তিৰ নিশ্বাস পেলালোঁ। "যাক্, ডিকৰ ভাষা-সমস্যাৰ এতিয়া এটা সমাধান হ'ব।"

"নহয়, নহয়", লিনেটে লৰালৰিকৈ মূৰ জোঁকাৰিলে, বেণী দুডাল দুলি উঠিল। ফৰাচী ঠাঁচৰ জাৰ্মান কথা, মাতটো এতিয়াও যেন সম্পূৰ্ণ ফুটিবলৈ অলপ বাকী আছে, এনেকুৱা এটা ব্যঞ্জনা। "এটা ভুল বুজাবুজি হৈছে। জাৰ্মান মোৰ বাবেও এটা বিদেশী ভাষা, মই জানো জাৰ্মান শিকাবলৈ সাহ কৰিব পাৰোঁ? কি যে কয়! মই ফৰাচী শিকোৱাৰ কথা হে কৈছিলোঁ, ফ্ৰ'লাইন ভিলিগে'ই ভুল কৰি পেলাইছে।"

"অ, এটা ভুল বুজাবুজি হৈছে", মোৰ পিনে চাই বিপৰ্যস্তভাৱে ডিকে কৈ উঠিল, "অৱশ্যে মোৰ ফৰাচী শিকাৰো প্লেন আছিল—তোমালোকক কৈছিলোঁ—মাই কৈ পঠিয়াইছিল ইউৰোপলৈ গ'লে যেনেতেনে—মানে, ইয়াত ইমান সুবিধা—"

লিনেটৰ সপ্ৰতিভ, ঝলমল মুখখন ৰঙা পৰি গ'ল, কাঁটাডালেৰে ভূৰ্ষ্ট এটুকুৰা মুখত সুমুৱাবলৈ গৈ ফ্ৰ'লাইন ভিলিগে' থমকি ৰ'ল, আৰু হে'ৰ্ ভাল্টাৰে বীয়াৰৰ গিলাচটো নমাই থ'লে। অপ্ৰস্তুত হৈ ডিক বৈ গ'ল।

মই লৰালৰিকৈ ক'লোঁ, "তাৰ কাৰণে প্ৰচুৰ সময় পাবা। কিন্তু য'ত আছা, প্ৰথমতে তাৰ ভাষাটো। কি কয়, হে'ৰ্ ভাল্টাৰ?"

"কিন্তু নিশ্চয়", মূৰ দুপিয়াই হে'ৰ্ ভাল্টাৰে ক'লে।

"মইও তাকেই কওঁ", ফ্ৰ'লাইন ভিলিগে'ই ক'লে।

হে'ৰ্ নভাক কফি আৰু বীয়াৰ লৈ আহিল আৰু টেবুলৰ কাষৰ চকী এখনলৈ কৌতুহলেৰ চালে। চকীত ফ্ৰলাইন ভিলিগে'ৰ বেগ আৰু ছাতি আৰু সেউজীয়া চছ্মাযোৰ, লিনেটৰ বেগ আৰু কিবা এটা পেকেট, আৰু এটা চৰাইৰ সঁজা, তাৰ ওপৰত এখন সেউজীয়া কাপোৰৰ ঢাক, সঁজাটোৰ ভিতৰৰপৰা এটা কিচিৰ-মিচিৰ শব্দ হ'ল। হে'ৰ্ নভাকে কিবা এটা সুধিব খুজিলে, ফ্ৰ'লাইন ভিলিগে'ৰ পিনে চালে, বৈ গ'ল।

"অ', সেইটো মোৰ কেনাৰী", হে'ৰ্ নভাকৰ মুখলৈ চাই লিনেটে ক'লে, পুনৰ আগৰদৰে সপ্ৰতিভ, আৰু মিচিকিকৈ হাঁহিলে, গালত আকৌ টোল পৰিল। মোৰ পিনে চালে, বুজাই দিলে। "এইবাৰ ঘৰত জন্মদিনত পালোঁ। মোৰ খুৰীয়ে দিছে। মন খুচি থাকিলে বৰ ধুনীয়াকৈ গান গায়। ঘৰতে থৈ আহিম বুলি ভাবিছিলোঁ, কিন্তু মোক নেদেখিলে সি বৰ মন মাৰি থাকে। লৈ আহিলোঁ।"

তাই সেউজীয়া ঢাকখন গুচালে। "ইয়াত আহি তাৰ গলত কিবা এটা ফুলি উঠিছে, জলবায়ু সলনি হোৱা কাৰণেই হ'ব পায়। খুৰীয়ে কৈছিল, তাৰ বৰ থুনুকা শৰীৰ, বৰ 'ডেলিকেট্'। এইমাত্ৰ ভেটেৰীনাৰি ডাক্তৰক দেখুৱাই আনিলোঁ। অন্য একো নহয়, গৰমৰ কাৰণেই বোলে। কিবা এটা ঘঁহি দিবলৈ দিছে।"

"আঃ, ধুনীয়া মৰম লগা চৰাই!" হে'ৰ্ নভাকে ক'লে আৰু ৰুটি এটুকুৰা তেওঁৰ মোটা আঙুলিৰে সঁজাটোৰ ভিতৰলৈ ভৰাই দিলে। কেনাৰীটোৱে এবাৰ কিচিৰ-মিচিৰ কৰি উঠিল আৰু ৰুটিটুকুৰা ঠোঁটেৰে খোঁট মাৰি লৈ গ'ল। ডাঙৰ-ডাঙৰ চকু মেলি মন্ত্ৰমুগ্ধৰদৰে হে'ৰ্ নভাকে চাব ধৰিলে। "আঃ শ্য'ন, শ্য'ন", উল্লসিত হৈ হে'ৰ্ নভাকে ক'লে। "লওক হে'ৰ্ ভূড্, আপুনিও দিয়ক, আপুনিও দিয়ক।"

পক্ষীজগতৰ লগত ডিকৰ সম্বন্ধৰ কথা হে'ৰ্ নভাকে নাজানে, কিন্তু ডিকে অঁকৰাৰদৰে হাঁহিলে আৰু অলপ ইতস্ততঃ কৰি তেওঁৰ হাতৰপৰা টুকুৰা এটা লৈ সঁজাৰে আঙুলি দুটা ভৰাই দিলে। কেনাৰীটোৱে ঠোঁটেৰে পাখিবোৰ খুঁটিয়ালে, তাৰ গলৰ পাখিবোৰ থিয় দি উঠিল, এটা প্ৰচণ্ড কিচিৰ-মিচিৰ শব্দ কৰিলে আকৌ, আৰু ঠেংখন আগুৱাই দিলে। লৰালৰিকৈ ডিকে আঙুলি দুটা উলিয়াই আনিলে।

"আঃ, ভয় নাখাব, ভয় নাখাব", এইবাৰ লিনেট্ খিলখিলকৈ হাঁহি উঠিল, "নাকামোৰে। সি সঁচাকৈয়ে বৰ নিৰ্জু প্ৰকৃতিৰ, নুখুঁটিয়ায়। নতুন মানুহ দেখিহে তেনেকুৱা কৰিছে। ভয় নকৰিব, দিয়ক, আকৌ দিয়ক—"

ডিক ৰঙা পৰি গ'ল, তাৰপাছত বেগুনীয়া হৈ গ'ল, তাৰপাছত আকৌ ৰঙা হৈ গ'ল, আৰু তাৰপাছত

মৰিয়াৰদৰে পুনৰ হাতখন ভৰাই দিলে। গোটেই দোকানখনে এইপিনে চাইছে, পিঞ্জৰাবদ্ধ অকণমানি কেনাৰীটোৰ ওপৰত হে'ৰ্ নভাকৰ প্ৰকাণ্ড ডিম্বাকৃতি মূৰটো খুচিত উবুৰি খাই পৰিল। (আঃ, হে'ৰ্ ভাল্টাৰৰ হাতত এতিয়া কেমেৰাটো থকাহেঁতেন!)

আৰু এয়া, সন্ধিয়া, ফ্ৰাউ হেগেমান্ আৰু ফ্ৰ'লাইন ভেৎচিগে গলা খুলি দিছে, চছ্মাযোৰৰ ভিতৰেৰে ফ্ৰাউ ভিকীয়ে পিৰিক-পিৰাককৈ স্বৰলিপিখন জুমি-জুমি চাইছে (কি দেখিছে তেওঁহে জানে) আৰু প্ৰাচীন পিয়ান'টোৰ চাবিবোৰত নিৰ্ভয়ে আঙুলি মাৰিছে, (কোনটো স্বৰ বিচাৰি কোনটো চাবি টিপিছে তেওঁহে জানে)। বহিলে অন্তৰ্ধান হৈ যোৱা কৌচখনত ডুব গৈ আঁঠুত হাত থৈ ডিক্ স্থিৰভাৱে বহি আছে—আজি দুপৰীয়া হে'ৰ্ নভাকৰ দোকানৰপৰা ওলাবৰেপৰা সি কিবা ভাবত তন্ময় হৈ আছে। সংগীতানুষ্ঠান আৰম্ভ হোৱাৰ আগেয়ে সস্তা ঘৰ এটাৰ ব্যৱস্থা হৈ গৈছে যি হওক (মাহে ৪০ মাৰ্ক মাত্ৰ), এক অধ্যায় শুদা কফিও হৈ গৈছে (চানা দিয়া কে'কবোৰ এতিয়াও ওলোৱা নাই), আৰু তিনি বৃদ্ধাই তাৰ ওপৰেদি আৰু আন এক অধ্যায় শেষ কৰিছে ঃ আমেৰিকাৰপৰা আহি তাৰ ইয়াত কেনে লাগিছে, কি-কি অসুবিধা হৈছে, আমেৰিকাত ভাল স্কুল-কলেজ আছেই যদি তেন্তে সি নো কিয় ইয়ালৈ আহিবলগীয়া হ'ল, তাৰ মাকে কি খাবলৈ ভাল পায়, তাৰ ভনীয়েকে কি পিন্ধে? সি কিন্তু পৰীক্ষাত বীৰৰদৰেই উত্তীৰ্ণ হৈছে, বিব্ৰত নোহোৱাকৈ সকলো প্ৰশ্নৰ উত্তৰ দিছে (ইমানখিনি মই আশা কৰা নাছিলোঁ)। আৰু এতিয়া এবাৰো হামি নকঢ়াকৈ গান শুনিছে। 'ভিকী-সংগীত-ত্ৰয়ী'য়ে এটা জাৰ্মান লোকগীত গাইছে ঃ

> চৰাই এটিয়ে বিয়া পাতিব খুজিলে
> সেউজীয়া ব-ন-নীত—

মনত পৰে স্কুলত 'ব'হাগীৰ বিয়া' বুলি এটি কবিতা পঢ়িবলগীয়া হৈছিল, তাত ব'হাগীৰ বিয়াত আকাশ, বতাহ, গছ-গছনিয়ে বহু কিবাকিবি কৰিছিল। এই গানটোৰ কাৰবাৰবোৰো তেনেকুৱাই। ক'ৰবাত চৰাই এটাৰ বিয়া হৈছে, সেই বিয়াত শালিকা, ফেঁচা, উহু, কুলী আদি অন্যবোৰ চৰায়ে নানান কামৰ ভাৰ লৈছে।

ফ্ৰ'লাইন ভে'ৎচিগৰ ডিঙিটো ক্ষীণ আৰু দীঘল আৰু তাত কিছুমান সমান্তৰাল ভাঁজ (এটা ইস্ক্ৰুপৰদৰে), তাৰপৰা চাইকেলৰ চকাত পাম্প গ'লে যেনেকুৱা আৱাজ হয় তেনেকুৱা এটা শব্দ ওলাইছে। তেওঁৰ দীঘল নাকটোৰে বাৰংবাৰ কিবা শুঙিছে, বোধকৰোঁ ঘ্ৰাণেন্দ্ৰিয়টো তীক্ষ্ণ। ফ্ৰাউ হেগেমান চুটি-চাপৰ আৰু গোলাকাৰ, তেওঁ বুকুত হাত দুখন থৈ মিলানৰ লা স্কালা অপেৰাৰ প্ৰিমা-ডনাৰদৰে এটা ভংগী দিছে, ৰেখাৰে ভৰ্তি তেওঁৰ মুখখন তৃপ্তিত উদ্ভাসিত হৈ উঠিছে। বুজিব পাৰি, এসময়ত ফ্ৰাউ হে'গেমানৰ কণ্ঠ লা স্কালাৰ গায়িকাতকৈ বৰ বেছি তলত নাছিল। ফ্ৰাউ ভিকীয়ে তন্ময় হৈ মূৰ তল কৰি বজাই গৈছে, মই অপেক্ষা কৰিছোঁ কোন মুহূৰ্তত তেওঁৰ চছ্মাযোৰ সৰি পৰিব।

মই ডিকক ফিচ্ফিচাই ক'লোঁ, "সম্ভৱতঃ এটা দুৰ্গতি-চৰাই"। ডিকে মোৰ পিনে বিৰক্ত হৈ চালে—ধাৰণা হৈছে সি গভীৰ মনোযোগেৰে শুনিছে। ফ্ৰ'লাইন ভে'ৎচিগে মুখত আঙুলি দি মোৰ পিনে এটা ভৰ্ৎসনাৰ দৃষ্টি নিক্ষেপ কৰিলে।

> উহু, উহু
> জপালে খিৰিকি মুহুৰ্মুহু—

মই ভাবিছোঁ, কেতিয়া সেই ক্ৰীম দিয়া কে'ককেইটাৰ সময় আহিব।

> ফেঁচা, ফেঁচা
> লগালে কোঢ়াল, ঠেলা-হেঁচা—

...এক অনন্তকালৰ পাছত বিবাহোৎসুক পক্ষীটোৰ গাঁথা শেষ হ'ল। মই, ডিক আৰু ফ্ৰাউ ভিকীয়ে হাততালি দিলোঁ, ফ্ৰ'লাইন ভে'ৎচিগে সংক্ষিপ্তভাৱে মূৰ জোঁকাৰিলে, ফ্ৰাউ হে'গেমানে নিখুঁত লা স্কালা-ষ্টাইলত মূৰ দোঁৱালে। তাৰপাছত মই, ডিক, ফ্ৰ'লাইন ভে'ৎচিগ আৰু ফ্ৰাউ হে'গেমানে পিয়ান'-বাদিকাৰ উদ্দেশ্যে হাততালি দিলোঁ, পিয়ান'টোত হাত দি চছ্মাযোৰৰ ভিতৰেৰে ফ্ৰাউ ভিকীৰ প্ৰফুল্ল চকু দুটা মুদ খালে আৰু মেল খালে।

অপ্ৰত্যাশিতভাৱে ডিক উঠিল আৰু ফ্ৰাউ ভিকীৰ ওচৰলৈ গ'ল। "সঁচাকৈয়ে, ফ্ৰাউ ভিকী, আপুনি অপূৰ্ব বজায়। গানটোও দুৰ্দান্ত ইন্টাৰেষ্টিং (ডিকে জেপৰপৰা নোটবুক আৰু পেঞ্চিল বাহিৰ কৰিলে)। যদি একো বেয়া নাপায়, অনুগ্ৰহকৈ মোক লাইনকেইটা যদি এবাৰ কৈ দিয়ে—"

মই প্ৰায় মুখ মেলি দিলোঁ, আৰু অৱশেষত ফ্ৰাউ ভিকীৰ নাকৰপৰা চছ্মাযোৰ খহি পৰিল—